নং ঃ ৪৪১/২০২০

**ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত বিভিন্ন কৃষক গোটৰ মাজত ট্ৰেক্টৰ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# কৃষিক ব্যৱসায়িক দৃষ্টিভংগীৰে মূল্যায়ণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ জুন ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ডিব্ৰুগড় জিলাৰ বিভিন্ন কৃষক গোটৰ মাজত ২৮ খন ট্ৰেক্টৰ বিতৰণ কৰে। উপায়ুক্তৰ কাৰ্যালয় চৌহদত আয়োজিত এই বিতৰণী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'আত্মনিৰ্ভৰশীল ভাৰত' নিৰ্মাণৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই আমিও 'আত্মনিৰ্ভৰশীল অসম' গঢ়ি তোলাৰ বাবে নিষ্ঠা সহকাৰে কৰ্মত ব্ৰতী হৈছোঁ। উৎপাদনৰ দিশত আমি স্বাৱলম্বী হ'লেহে সঁচা অৰ্থত এখন আত্মনিৰ্ভৰশীল অসম গঢ়ি উঠিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে আমাৰ উৰ্বৰ কৃষি ভূমিৰ উপযুক্ত প্ৰয়োগৰে আমি কৃষি কৰ্মত আত্মনিয়োগ কৰিব লাগিব বুলিও তেওঁ কয়। কৃষিৰ বাবে অসমৰ বাতাবৰণ অত্যন্ত অনুকূল বুলি উল্লেখ কৰি আমাৰ উৎপাদন বৃদ্ধি কৰি ঘৰুৱা বজাৰৰ উপৰি প্ৰতিবেশী ৰাজ্য তথা চুবুৰীয়া ৰাষ্ট্ৰলৈ ৰপ্তানিৰ বাবে আমি প্ৰচেষ্টা কৰিব লাগিব বুলি তেওঁ কয়। আমদানিৰ পৰিৱৰ্তে ৰপ্তানিৰ যোগ্যতা আহৰণৰ বাবে আমি প্ৰচেষ্টা কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্যখনৰ কৃষকৰ উৎপাদন তথা কৃষকৰ আয় বৃদ্ধি কৰাৰ উদ্দেশ্য আগত ৰাখি 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'খন ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে। কৃষি যান্ত্ৰিকীকৰণ অবিহনে উৎপাদন বৃদ্ধি সম্ভৱ নহয় বুলি উল্লেখ কৰি এই উদ্দেশ্য আগত ৰাখিয়েই কৃষকসকলৰ মাজত ট্ৰেক্টৰ বিতৰণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই ট্ৰেক্টৰ সমূহ ব্যৱহাৰৰ বাবে বছৰত ১৬৫ দিনীয়া দিনপঞ্জী এখন প্ৰস্তুত কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। কৃষিৰ দিশত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে আমি বছৰেকত এটা খেতিৰ পৰিৱৰ্তে তিনিটা খেতি কৰিব লাগিব। লক্‌ডাউনৰ সময়ছোৱাত অসমৰ ৰাইজে উপলব্ধি কৰিব পাৰিছে যে অসমৰ বজাৰ ব্যৱস্থা কাৰ দ্বাৰা পৰিচালিত। সেয়েহে আমাৰ কৃষি উৎপাদন বৃদ্ধি, উৎপাদিত সামগ্ৰীৰ ক্ৰয় আৰু উপযুক্ত বজাৰ ব্যৱস্থাৰ শৃংখল গঢ়ি তোলাৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গুৰুত্ব আৰোপ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয় যাতে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য প্ৰাপ্তিৰ দ্বাৰা কৃষকসকল লাভান্বিত হ'ব পাৰে। ইয়াৰ বাবে কৃষিক ব্যৱসায়িক দৃষ্টিভংগীৰে আগবঢ়াই লৈ যাব লাগিব বুলি তেওঁ কয়। লক্‌ডাউনৰ সময়ছোৱাত অসমৰ কৃষকে শাক-পাচলি বিক্ৰী কৰি ১৬৫ কোটি টকা অৰ্জন কৰাৰ সক্ষমতাই এইটো প্ৰমাণ কৰিছে যে অসমৰ কৃষকে অদূৰ  ভৱিষ্যতে কৃষিৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনীতি টনকিয়াল কৰাৰ সক্ষমতা আছে। কৃষকৰ উৎপাদিত সামগ্ৰীয়ে যাতে উচিত মূল্য লাভ কৰিব পাৰে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে কৃষি উৎপাদিত সামগ্ৰীৰ ন্যূনতম সমৰ্থিত মূল্য নিৰ্দ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে ইয়াৰ দ্বাৰা অসমৰ কৃষকক লাভান্বিত হোৱাৰ বাবে আহ্বান জনায়। আন্তঃৰাষ্ট্ৰীয় বজাৰত জৈৱিক কৃষি সামগ্ৰীৰ বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি আমি জৈৱিক কৃষি কাৰ্যৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে কৃষি খণ্ডত এক নতুন বিপ্লৱৰ সূচনা কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিমল বৰা, তেৰচ গোৱালা, বিনোদ হাজৰিকা, চক্ৰধৰ গগৈ, উপায়ুক্ত পল্লৱ গোপাল ঝা প্ৰমুখ্যে কৃষি বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃমিঃকঃ / সুঃদঃ**
**২০/০৬/২০২০**